**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 28-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত আচাৰ্য বিদ্যানন্দ জি মহাৰাজৰ শতবৰ্ষ উদযাপন অনুষ্ঠান উদ্বোধন কৰিব।

২। কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষান ৰেড্ডীয়ে দেশৰ খনি আৰু শক্তি খণ্ডৰ বিকাশত উত্তৰ-পূৰ্বাঞ্চলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণৰ সম্ভাৱনা আছে বুলি মন্তব্য কৰিছে।

৩। কলকাতাৰ এখন আইন মহাবিদ্যালয়ত এগৰাকী ছাত্ৰীক দলবদ্ধ ধৰ্ষণৰ ঘটনা সন্দৰ্ভত পশ্চিমবংগত ৰাজনৈতিক পৰিস্থিতি উদ্বেগজনক হৈ পৰিছে।

৪। সিন্ধু অভিযানৰ অধীনত ভাৰতে মুঠ চাৰি হাজাৰ ৪১৫ গৰাকী ভাৰতীয় নাগৰিকক বহিঃ দেশৰ পৰা দেশলৈ ঘূৰাই আনিছে।

*আৰু*

৫। নটিংহামৰ ট্ৰেণ্ট ব্ৰিজত আজি ভাৰত আৰু ইংলেণ্ডৰ মাজত মহিলাৰ পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলা আৰম্ভ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত আচাৰ্য বিদ্যানন্দ জি মহাৰাজৰ শতবৰ্ষ উদযাপন অনুষ্ঠান উদ্বোধন কৰিব। কেন্দ্ৰীয় চৰকাৰে ভগৱান মহাবীৰ অহিংসা ভাৰতী ন্যাসৰ সহযোগত আচাৰ্য বিদ্যানন্দ জি মহাৰাজৰ ১০০ সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষে বছৰজোৰা ৰাষ্ট্ৰীয় শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ আনুষ্ঠানিক কাৰ্যসূচী হিচাপে এই অনুষ্ঠানৰ আয়োজন কৰিছে। আচাৰ্য বিদ্যানন্দ জি মহাৰাজ হৈছে জৈন ধৰ্মৰ এগৰাকী আধ্যাত্মিক নেতা তথা সমাজ সংস্কাৰক। এই বছৰজোৰা শতবৰ্ষ উদযাপন কাৰ্যসূচীত বিদ্যানন্দ মহাৰাজৰ জীৱন আৰু দৰ্শনৰ প্ৰসাৰৰ উদ্দেশ্যে সমগ্ৰ দেশতে সাংস্কৃতিক, সাহিত্যিক, শিক্ষামূলক আৰু আধ্যাত্মিক কাৰ্যসূচী পালন কৰা হ'ব। আচাৰ্য বিদ্যানন্দ জিয়ে তেওঁৰ জীৱন কালত জৈন দৰ্শন সন্দৰ্ভত ৫০ খনৰো অধিক গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। দেশৰ পৌৰাণিক জৈন মন্দিৰসমূহৰ পুনৰুদ্ধাৰৰ ক্ষেত্ৰত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। শিক্ষাৰ ক্ষেত্ৰতো বিশেষকৈ প্ৰাকৃত, জৈন দৰ্শন আৰু ধ্ৰুপদী ভাষাৰ ক্ষেত্ৰতো তেওঁ বিশেষভাৱে কাম কৰিছিল।

ooooo

কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষান ৰেড্ডীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ খনি খণ্ডৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ আহ্বান জনাইছে। তেওঁ কয়, যে এই খণ্ডত লুকাই থকা খনিজ সম্পদ অন্বেষণৰ বাবে কেন্দ্ৰই সক্ৰিয়ভাৱে সহযোগিতা আগবঢ়াব। গুৱাহাটীত আয়োজিত দ্বিতীয় উত্তৰ-পূব ভূতত্ত্ব আৰু খনি মন্ত্ৰীসকলৰ সন্মিলনত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি এই কথা

প্ৰকাশ কৰে। তেওঁ কয়, যে দেশৰ খনি আৰু শক্তি খণ্ডৰ বিকাশত উত্তৰ-পূৰ্বাঞ্চলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণৰ সম্ভাৱনা আছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ বাবে ৰাজ্য ভিত্তিক খনি পৰিকল্পনা ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে বুলিও শ্ৰী ৰেড্ডীয়ে প্ৰকাশ কৰে।

সন্মিলনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে খনি আৰু খনিজাত পদাৰ্থ সঠিকভাৱে অন্বেষণৰ জৰিয়তে অসমৰ অৰ্থনীতি শক্তিশালী কৰাৰ দিশত ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। ড০ শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নীতিগত হস্তক্ষেপৰ বাবেই উত্তৰ-পূৰ্বাঞ্চলত দীৰ্ঘদিন ধৰি বন্ধ হৈ থকা কয়লা ক্ষেত্ৰসমূহ মুকলি হ'ল আৰু বৰ্তমান ইয়াৰ সুফল লাভ কৰা হৈছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে খনিজ সম্পদ আহৰণৰ জৰিয়তে আদায় হোৱা ৰাজহৰ জৰিয়তে প্ৰতিখন ৰাজ্য উপকৃত হ'ব।

অসমত প্ৰস্তাৱিত তিনি হাজাৰ ৪০০ মেগাৱাট তাপবিদ্যুৎ প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰে কয়লা যোগান ধৰাৰ আশ্বাস দিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। কালিৰ অনুষ্ঠানত উত্তৰ-পূৰ্বাঞ্চলৰ ভূ-তাত্বিক সম্ভাৱনীয়তা বিষয়ক ৰূপৰেখা পত্ৰও উদ্বোধন কৰা হয়। দুদিনীয়া এই সন্মিলনত কয়লা আৰু খনি বিভাগৰ ৰাজ্য মন্ত্ৰী সতীশ চন্দ্ৰ ডুবে তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ খনিমন্ত্ৰীসকলে অংশগ্ৰহণ কৰে।

০০০০০

কলকাতাৰ এখন আইন মহাবিদ্যালয়ত এগৰাকী ছাত্ৰীক দলবদ্ধ ধৰ্ষণৰ ঘটনা সন্দৰ্ভত পশ্চিমবংগত ৰাজনৈতিক পৰিস্থিতি উদ্বেগজনক হৈ পৰিছে। কলকাতা আৰক্ষীয়ে বৰ্তমানলৈকে এই ঘটনাত জড়িত থকাৰ অভিযোগত দুগৰাকী ছাত্ৰকে ধৰি তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে। তেওঁলোকক এক জুলাইলৈকে আৰক্ষীৰ জিম্মাত ৰখা হ'ব। ইপিনে বিৰোধী পক্ষৰ দলসমূহে ৰাজ্যখনত এই ঘটনাৰ বিৰুদ্ধে প্ৰতিবাদ সাৱস্ত কৰিছে। পশ্চিমবংগ বিধানসভাৰ বিৰোধী পক্ষৰ নেতা সুভেন্দু অধিকাৰীয়ে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ পদত্যাগৰ দাবী জনাইছে। বাঁও আৰু কংগ্ৰেছ দলে ৰাজ্যখনত আইন শৃংখলা নোহোৱা বুলি অভিযোগ কৰিছে। কলকাতা আৰু বিভিন্ন স্থানত আজি প্ৰতিবাদী সমদলৰ আয়োজন কৰা হৈছে। ইপিনে ৰাষ্ট্ৰীয় মহিলা আয়োগে এই সন্দৰ্ভত এটা নিজাববীয়া গোচৰ ৰুজু কৰাৰ উপৰি কলকাতাৰ আৰক্ষী আয়ুক্তক ঘটনাৰ ৭২ ঘণ্টাৰ ভিতৰত তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিছে। কলকাতাৰ আৰ জি কৰ হাস্পতালত এগৰাকী চিকিৎসকক ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ এবছৰৰ ভিতৰতে আন এটা এনে ঘটনাই ৰাজ্যবাসীৰ মাজত ক্ষোভ আৰু উত্তেজনাৰ সৃষ্টি কৰিছে।

০০০০০

সিন্ধু অভিযানৰ অধীনত ভাৰতে মুঠ চাৰি হাজাৰ ৪১৫ গৰাকী ভাৰতীয় নাগৰিকক বহিঃ দেশৰ পৰা দেশলৈ ঘূৰাই আনিছে। ইয়াৰ ভিতৰত তিনি হাজাৰ ৫৯৭ গৰাকী ইৰানৰ পৰা আৰু ৮১৮ গৰাকীক ইজৰাইলৰ পৰা বিশেষ বিমানেৰে ঘূৰাই অনা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে ইয়াৰে ১৪ গৰাকী বিদেশী নাগৰিকত্ব থকা ভাৰতীয়, ৯ গৰাকী নেপালৰ নাগৰিক, ৪ গৰাকী শ্ৰীলংকাৰ নাগৰিক আৰু এগৰাকী ভাৰতীয় লোকৰ সৈতে বিবাহ পাশত আবদ্ধ হোৱা ইৰানৰ নাগৰিকক ইৰানৰ পৰা উদ্ধাৰ কৰা হৈছে। দেশলৈ ঘূৰাই অনা ভাৰতীয় নাগৰিকসকলৰ ভিতৰত এহেজাৰ ৫০০ গৰাকীতকৈও অধিক মহিলা আৰু ৫০০ টি শিশু আছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা মাহত ঘানা, ত্ৰিনিদাদ আৰু টবাগো, আৰ্জেণ্টিনা, ব্ৰাজিল আৰু নামিবিয়া ভ্ৰমণ কৰিব। শ্ৰী মোদীয়ে দুই আৰু তিনি জুলাইত ঘানা ভ্ৰমণ কৰিব। এয়া হ'ব প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰথমটো দ্বিপাক্ষিক ঘানা ভ্ৰমণ। এই ভ্ৰমণকালত

তেওঁ ঘানাৰ ৰাষ্ট্ৰপতিৰ সৈতে আলোচনাত মিলিত হ'ব। দুয়োখন ৰাষ্ট্ৰৰ শক্তিশালী দ্বিপাক্ষিক অংশীদাৰিত্বৰ পৰ্যালোচনা কৰাৰ উপৰি অৰ্থনীতি, শক্তি, প্ৰতিৰক্ষা সহযোগিতা আৰু উন্নয়ন সহযোগিতা অংশীদাৰিত্ব সুদৃঢ় কৰাৰ সন্দৰ্ভত আলোচনা কৰিব। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ৩ আৰু ৪ জুলাইত শ্ৰী মোদীয়ে ত্ৰিনিদাদ আৰু টবাগো ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰীয়ে এই ভ্ৰমণকালত দেশখনৰ ৰাষ্ট্ৰপতি ক্ৰিষ্টিন কাৰ্লা কাংগালু আৰু প্ৰধানমন্ত্ৰী কমলা পাৰ্ছাদ বিশ্বেচৰৰ সৈতে বৈঠকত মিলিত হ'ব। শ্ৰী মোদীয়ে লগতে দেশখনৰ যুটীয়া সংসদীয় বৈঠকত ভাষণ দিয়াৰ সম্ভাৱনা আছে। ভ্ৰমণৰ তৃতীয় পৰ্যায়ত ৪ জুলাইত প্ৰধানমন্ত্ৰী মোদী আৰ্জেণ্টিনালৈ যাব। তাত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি জেভিয়েৰ মাইলেৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজত থকা সহযোগিতাৰ পৰ্যালোচনা কৰাৰ লগতে প্ৰতিৰক্ষা, কৃষি, খনি, তেল আৰু গেছ, পুনৰ নৱীকৰণযোগ্য শক্তি, বাণিজ্য আৰু বিনিয়োগকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত থকা অংশীদাৰিত্ব বৃদ্ধি কৰাৰ সন্দৰ্ভত আলোচনা কৰিব। শ্ৰী মোদীয়ে ইয়াৰ পাছত সপ্তদশ ব্ৰিকছ্‌ শীৰ্ষ সন্মিলনত অংশ লোৱাৰ উদ্দেশ্যে ৫ৰ পৰা ৮ জুলাইলৈ ব্ৰাজিল ভ্ৰমণ কৰিব। এয়া হ'ব তেওঁৰ চতুৰ্থটো ব্ৰাজিল ভ্ৰমণ। সপ্তদশ ব্ৰিকছ্‌ নেতাসকলৰ সন্মিলন ৰিঅ' ডি জেনেইৰ'ত অনুষ্ঠিত হ'ব। এই সন্মিলনত প্ৰধানমন্ত্ৰীয়ে শান্তি আৰু সুৰক্ষা, বহুপাক্ষিকতা শক্তিশালী কৰা, কৃত্ৰিম বুদ্ধিমত্তাৰ দায়িত্ব সহকাৰে ব্যৱহাৰ, জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত গ্ৰহণ কৰা কাৰ্যসূচী, স্বাস্থ্য আৰু অৰ্থনীতিকে ধৰি গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহত মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰীয়ে এই সন্মিলনৰ সুযোগতে কেইবাখনো দ্বিপাক্ষিক বৈঠকত অংশ ল'ব। ভ্ৰমণৰ অন্তিম পৰ্যায়ত ৯ জুলাইত তেওঁ নামিবিয়ালৈ যাব। এয়া হ'ব তেওঁৰ প্ৰথমটো নামিবিয়া ভ্ৰমণ। ভ্ৰমণ কালত প্ৰধানমন্ত্ৰীয়ে নামিবিয়াৰ ৰাষ্ট্ৰপতিৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। তেওঁ লগতে দেশখনৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি ড০ ছেম নুজুমাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব।

০০০০০

বেলুছিস্তানৰ কেট্‌ছ জিলাৰ আবদুহি সীমান্ত বহুদিন ধৰি বন্ধ কৰি দিয়াক লৈ মানৱ অধিকাৰ কৰ্মীয়ে পাকিস্তানী কৰ্তৃপক্ষক সমালোচনা কৰিছে। এই কাৰ্যৰ জৰিয়তে ইছলামাবাদে অৰ্থনৈতিক শোষণ চলাইছে বুলি মানৱাধিকাৰ কৰ্মীয়ে অভিযোগ কৰিছে। পাকিস্তান প্ৰদেশৰ মানৱাধিকাৰ সংস্থা বেলুছ য়াকজেটি সমিতিয়ে এটা বিবৃতিত কয়, যে যোৱা ১৯ মাৰ্চৰে পৰা কেট্‌ছৰ আবদুহি সীমান্ত বন্ধ হৈ থকাৰ ফলত বেলুছিস্তানৰ শতাধিক পৰিয়ালৰ আয়ৰ এটা গুৰুত্বপূৰ্ণ উৎস নোহোৱা হ'ল। এই লোকসকলৰ জীৱন ধাৰণৰ আন কোনো বিকল্প পথ নথকাৰ বাবে তেওঁলোকে ভোক আৰু অনিশ্চয়তাত ভুগিবলগীয়া হৈছে। অঞ্চলটোৰ শ্ৰমিক তথা জনসাধাৰণে এই সীমান্ত খুলি দিয়াৰ দাবী জনাই দ্বিতীয় দিনৰ বাবে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। পাকিস্তানী কৰ্তৃপক্ষই এই বিষয়টো আলোচনাৰ পৰিৱৰ্তে নিৰাপত্তা বাহিনীৰ সহযোগত প্ৰতিবাদকাৰীসকলক আতৰাই ৰাখিবলৈ চেষ্টা কৰিছে বুলি মানৱাধিকাৰ সংস্থাটোৱে অভিযোগ কৰিছে।

০০০০০

নটিংহামৰ ট্ৰেণ্ট ব্ৰিজত আজি ভাৰত আৰু ইংলেণ্ডৰ মাজত মহিলাৰ পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলা আৰম্ভ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া সাত বজাত আৰম্ভ হ'ব।

২০২৩ চনৰ ডিচেম্বৰৰ পাছত প্ৰথমবাৰৰ বাবে ২০ অভাৰৰ খেলত দুয়োটা দল মুখামুখি হ'ব। ২০২৬ চনৰ মহিলা বিশ্বকাপৰ পূৰ্বে এই পাঁচখনীয়া শৃংখলা অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব।

০০০০০

*সমাপ্ত*